# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আজি ২৩ হাজাৰ ৯৫৬ গৰাকী উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকক নিয়মীয়া পদৰ নিযুক্তি পত্ৰ প্ৰদান।

২। ৰাষ্ট্ৰীয় পোষণ মাহৰ সৈতে সংগতি ৰাখি ৩০ ছেপ্তেম্বৰলৈ ৰাজ্যত ৰূপায়ণ হ'বলগীয়া পোষণ মাহৰ কাৰ্যসূচী আজি মৰিগাঁৱত মন্ত্ৰী অজন্তা নেওগৰ আনুষ্ঠানিকভাৱে মুকলি।

৩। বানত ক্ষতিগ্ৰস্ত ৬ লাখ লোকক সাহায্য প্ৰদানৰ বাবে জিলা আয়ুক্ত আৰু অন্যান্য বিষয়াৰে মুখ্যমন্ত্ৰীৰ বৈঠক।

৪। চলিত বৰ্ষৰ আগষ্টত জি এছ্ টি সংগ্ৰহৰ পৰিমাণ ১০ শতাংশ বৃদ্ধি। **আৰু**

৫। পেৰিছ্ পেৰালিম্পিকত ভাৰতৰ পদকৰ সংখ্যা ৭ লৈ বৃদ্ধি। আজি পঞ্চম দিনাও কেইবাটাও শিতানত যুঁজ অব্যাহত।

oooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত ২৩ হাজাৰ ৯৫৬ গৰাকী উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকক নিয়মীয়া পদৰ নিযুক্তি পত্ৰ প্ৰদান কৰিব। প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে বিশেষ নিযুক্তি প্ৰক্ৰিয়া সন্দৰ্ভত যিকোনো ওজৰ আপত্তি দাখিলৰ বাবে আজিৰ পৰা অহা ৮ ছেপ্তেম্বৰলৈকে সঞ্চালকালয়ৰ পোৰ্টেল dee.assam.gov.in মুকলি কৰিব বুলি ঘোষণা কৰিছে। সঞ্চালকালয়ে এটা নিৰ্দেশনাযোগে বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰ বিজ্ঞাপন অনুসৰি আবেদন কৰা ঠিকাভিত্তিক আৰু ষ্টেটপুল শিক্ষকসকলে প'ৰ্টেলৰ জৰিয়তে যিকোনো ওজৰ আপত্তি দাখিল কৰিব পাৰিব বুলি জানিবলৈ দিছে। তদুপৰি নথিপত্ৰ পৰীক্ষণ সম্পৰ্কীয় কাৰণত আবেদন স্থগিত ৰখা ৮৩৪ জন প্ৰাৰ্থীয়ে প'ৰ্টেলত থকা লিংকত ওজৰ আপত্তিৰ লগতে নথিপত্ৰ দাখিল কৰিব পাৰিব। চূড়ান্ত বাছনি তালিকাত স্থান লাভ কৰা শিক্ষকসকলৰ নিযুক্তিপত্ৰ জিলা আৰু বিদ্যালয়ৰ নামৰ ক্ষেত্ৰত কিবা অমিল ধৰা পৰিলে সেই অভিযোগো প'ৰ্টেলত সন্নিবিষ্ট হৈ থকা লিংকৰ জৰিয়তে দাখিল কৰিব পাৰিব। প্ৰতিটো ওজৰ আপত্তিৰ বিপৰীতে সমৰ্থিত নথিপত্ৰ দাখিল কৰিব লাগিব। প'ৰ্টেলৰ জৰিয়তে দাখিল কৰা নথিপত্ৰসমূহ পৰীক্ষা কৰি যোগ্য প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব।

উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ লক্ষ্যৰ অংশ হিচাপে এই নিযুক্তি সমাৰোহৰ আয়োজন কৰা হৈছে। যোৱা ২৬ আগষ্ট পৰ্যন্ত ৰাজ্য চৰকাৰে এক লাখ ৩৮৯ গৰাকী লোকক বিভিন্ন ক্ষেত্ৰত নিযুক্তি দিছে। আজি ২৩ হাজাৰ ৯৫৬ গৰাকী শিক্ষকক স্থায়ী নিযুক্তি পত্ৰ প্ৰদান কৰাৰ লগে লগে সৰ্বমুঠ নিযুক্তিৰ সংখ্যা হ'ব এক লাখ ২৪ হাজাৰ ৩৪৫ গৰাকী। যোৱা ৫ আগষ্টত সমগ্ৰ শিক্ষা বিভাগে ৰাজ্যৰ ৩৫ হাজাৰ ঠিকাভিত্তিক শিক্ষকৰ নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল। এই ৩৫ হাজাৰ শিক্ষকৰ ভিতৰত ২৩ হাজাৰ ৯৫৬ গৰাকীয়ে নিয়মীয়া নিযুক্তিৰ বাবে আবেদন দাখিল কৰে। বাকী থকা প্ৰায় ১০ হাজাৰ শিক্ষকে

বেতন সুৰক্ষাসহ চাকৰি নিয়মীয়াকৰণৰ দাবীত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। গোচৰটোৰ শুনানী গ্ৰহণ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ে আদালতৰ দ্বাৰস্থ হোৱা শিক্ষকসকলৰ পৰিৱৰ্তে নিয়মীয়া নিযুক্তিৰ বাবে আবেদন কৰা শিক্ষকসকলৰ নিযুক্তি প্ৰক্ৰিয়া আগবঢ়াই নিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ পিছতে তাৎক্ষণিকভাৱে ৰাজ্য চৰকাৰে ২৩ হাজাৰ ৯৫৬ গৰাকী শিক্ষকৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰে।

০০০০০০

দেশৰ বিভিন্ন অংশৰ লগতে অসমতো মহিলা আৰু শিশু বিভাগৰ উদ্যোগত ৰাষ্ট্ৰীয় পোষণ মাহৰ লগত সংগতি ৰাখি কালিৰে পৰা ৰাজ্যিক পোষণ মাহ আৰম্ভ হৈছে। শিশু, কিশোৰ-কিশোৰী, মাতৃ তথা গৰ্ভৱতী মহিলাৰ পুষ্টিহীনতা ৰোধৰ উদ্দেশ্যেৰে এই মাহ পালনৰ  ব্যৱস্থা কৰা হৈছে। এই উপলক্ষে ঠায়ে ঠায়ে **এক পেৰ মা কে নাম** শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰীয়ে মাতৃৰ নামত একোটাকৈ গছপুলি ৰোপণৰ বাবে জনোৱা আহ্বান অনুসৰি এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি মৰিগাওঁৰ তৰুণৰাম ফুকন খেলপথাৰত মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে ৰাজ্যিক পোষণ মাহৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। অনুষ্ঠানত মৰিগাঁৱৰ বিধায়ক ৰামাকান্ত দেউৰী বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

উল্লেখযোগ্য যে, কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে পৰহি গুজৰাটৰ গান্ধীনগৰত সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহৰ ৰাষ্ট্ৰজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এইবাৰ এই কাৰ্যসূচীৰ অধীনত ৰক্তহীনতা দূৰীকৰণৰ বাবে ব্যাপক সজাগতা সৃষ্টিৰ লগতে পৰিপুষ্টি আৰু অধ্যয়ন, প্ৰযুক্তি নিৰ্ভৰ উদ্যমৰ সহায়ত তথা পৰিপূৰক আহাৰৰ দ্বাৰা দেশত পুষ্টিহীনতাৰ সমস্যা দূৰ কৰাৰ প্ৰয়াস কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহিলাকেন্দ্ৰীক উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি এইবাৰৰ বাজেটত কন্যা শিশু আৰু মহিলাসকলৰ কল্যাণৰ লক্ষ্যৰে ৩ লাখ কোটি টকা আৱণ্টন দিছে।

০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত আজি  ২০২৪-২৫ শিক্ষাবৰ্ষৰ স্নাতকোত্তৰ শ্ৰেণীৰ শিক্ষাৰম্ভ সমাৰোহ অনুষ্ঠিত হ'ব। ১৯৪৮ চনত স্থাপিত এই ঐতিহ্যমণ্ডিত বিশ্ববিদ্যালয়খনে **নাকৰ এ প্লাছ** স্বীকৃতি লাভ কৰিছে। আনহাতে উত্তৰ-পূৰ্বাঞ্চলৰ এই প্ৰথমখন বিশ্ববিদ্যালয়ে ভাৰতৰ ৰাজ্যিক বিশ্ববিদ্যালয়সমূহৰ তালিকাত ১৩ সংখ্যক স্থান, ভাৰতৰ সমগ্ৰ বিশ্ববিদ্যালয় তালিকাত ৪০ সংখ্যক স্থান লাভৰ লগতে আই আই টি, আই আই এমকে ধৰি দেশৰ আটাইকেইখন বিশ্ববিদ্যালয়ৰ ভিতৰত ৫৭ সংখ্যক স্থান লাভ কৰিছে। বিশ্বৰ বিভিন্ন প্ৰান্তত এই বিশ্ববিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী কৰ্মত নিয়োজিত হৈ থকাৰ বিপৰীতে জাপান, আমেৰিকা যুক্তৰাষ্ট্ৰ, থাইলেণ্ড আদিকে ধৰি বিভিন্ন বিদেশী ৰাষ্ট্ৰৰ শিক্ষাৰ্থীয়েও বিশ্ববিদ্যালয়খনত শিক্ষা গ্ৰহণ কৰি আহিছে। প্ৰায় তিনি লাখ গ্ৰন্থৰে সমৃদ্ধ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্যতম গুৰুত্বপূৰ্ণ সম্পদ হিচাপে বিবেচিত হৈছে।

০০০০০০

পূৰ্বোত্তৰ সীমান্ত চেতনা মঞ্চৰ গুৱাহাটী মহানগৰ সমিতিৰ উদ্যোগত অহা ১৪ ছেপ্তেম্বৰত সংগঠনটোৰ ধ্যেয় গীতৰ আধাৰত দলীয় নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতা দুটা শাখাত অনুষ্ঠিত হ'ব। **ক** শাখা ৭ৰ পৰা ১২ বছৰলৈ আৰু **খ** শাখাত ১২ৰ পৰা ২৫ বছৰ বয়সৰ প্ৰতিযোগীয়ে অংশ ল'ব পাৰিব। দলীয় প্ৰতিযোগীৰ সংখ্যা ৫ৰ পৰা ১০ৰ ভিতৰত হ'ব লাগিব। প্ৰতিটো দলে ৫ ছেপ্তেম্বৰৰ ভিতৰত নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব। ইয়াৰ বাবে নিৰ্ধাৰিত আবেদন প্ৰ-পত্ৰ দলৰ কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰি ৫ ছেপ্তেম্বৰৰ ভিতৰত কাৰ্যালয়ত জমা দিব লাগিব। **ক** শাখাৰ প্ৰথম তিনিটা স্থানৰ প্ৰতিযোগীয়ে ১৫ হাজাৰ, ১২

হাজাৰ আৰু ১০ হাজাৰ টকাকৈ প্ৰাইজমাণি তথা **খ** শাখাৰ তিনিগৰাকী বিজয়ী প্ৰতিযোগীয়ে ক্ৰমে ২১, ১৮ আৰু ১৫ হাজাৰকৈ টকাৰ প্ৰাইজমাণি লাভ কৰিব। পুৰস্কাৰপ্ৰাপ্ত প্ৰতিযোগীসকলক প্ৰমাণ-পত্ৰ আৰু স্মৃতিফলক প্ৰদান কৰা হ'ব। অধিক তথ্যৰ বাবে সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ গুৱাহাটী মহানগৰ সমিতিৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিবলৈ কোৱা হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰী ভ্ৰমণসূচীৰে কাইলৈ ব্ৰুনেই আৰু ছিংগাপুৰলৈ ৰাওনা হ'ব। নতুন দিল্লীত শুকুৰবাৰে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে, ব্ৰুনেইৰ ছুলতান হাজী হছনল বোলকিয়াৰ আমন্ত্ৰম মৰ্মে প্ৰধানমন্ত্ৰী মোদী কাইলৈ ব্ৰুনেৰ ডাৰুচ্ছালামত উপস্থিত হ'ব। এয়া এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম দ্বিপাক্ষিক ব্ৰুনেই যাত্ৰা হ'ব বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰত আৰু ব্ৰুনেইৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ সংখ্যক বাৰ্ষিকীৰ সময়ত প্ৰধানমন্ত্ৰী মোদী দেশখনলৈ যাব। শ্ৰীজয়ছোৱালে কয় যে, প্ৰধানমন্ত্ৰী মোদী তেওঁৰ ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱঙৰ নিমন্ত্ৰণ মৰ্মে বুধবাৰে ছিংগাপুৰত উপস্থিত হ'ব।

০০০০০০

ডিব্ৰুগড় জিলাত নিমাণকাৰ্য চলি থকা ক্ষুদ্ৰ সচিবালয়ৰ কাম-কাজ পূৰ্ণগতিত অব্যাহত আছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰিকল্পনা অনুসৰি ডিব্ৰুগড়ৰ জলসম্পদ বিভাগৰ অতিথিশালাক ক্ষুদ্ৰ সচিবালয় হিচাপে গঢ়ি তোলা হ'ব। অহা ৫ ছেপ্তেম্বৰত মুখ্যমন্ত্ৰীয়ে এই সচিবালয় উদ্বোধন কৰিব। ইয়াৰ ফলত উজনি অসমৰ ৰাইজে দিছপুৰলৈ নহাকৈও বিভিন্ন বিষয় ডিব্ৰুগড়ৰ সচিবালয়ত নিষ্পত্তি কৰিব পাৰিব।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি জিলা আয়ুক্ত আৰু অন্যান্য বিভাগীয় বিষয়াসকলৰ সৈতে ৰাজ্যত বান ক্ষতিগ্ৰস্ত লোকসকলৰ সাহায্যৰ্থে অনুষ্ঠিত এখন বৈঠকত সভাপতিত্ব কৰে। এই বৈঠকত বানত ক্ষতিগ্ৰস্ত প্ৰায় ছয় লাখ লোকক সাহায্য প্ৰদানৰ বাবে দুটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। প্ৰথমে, বানত ক্ষতিগ্ৰস্ত যিসকল লোকে নতুন নিৰ্দেশনা অনুযায়ী সাহায্য লাভৰ অন্তৰ্ভুক্ত হোৱা নাই, তেনে লোকসকলক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা সাহায্য প্ৰদান কৰা হ'ব। দ্বিতীয়তে, প্ৰথম পৰ্যায়ত অন্তৰ্ভুক্ত পূৰ্বতে ৰৈ যোৱা সকলোকে এইবাৰ সাহায্য প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে, বান সাহায্যৰ নীতিসমূহ মানৱীয়তাৰ দৃষ্টিভংগীৰে নিৰ্ধাৰণ কৰা হৈছে। প্ৰয়োজন হ'লে এই নীতি অধিক শিঠিল কৰাৰ লগতে উদাৰতাৰ দৃষ্টিৰে চোৱা হ'ব যাতে বান ক্ষতিগ্ৰস্ত কোনো লোক সাহায্য লাভৰ পৰা বঞ্চিত নহয়।

০০০০০০

চলিত বৰ্ষৰ আগষ্টত সামগ্ৰী আৰু সেৱা কৰ অৰ্থাৎ জি এছ টি সংগ্ৰহৰ পৰিমাণ ১০ শতাংশ বৃদ্ধিৰে ১ লাখ ৭৫ হাজাৰ কোটি টকা হৈছে। যোৱাবছৰৰ এই একেই সময়ছোৱাত এই পৰিমাণ আছিল এক লাখ ৫৯ হাজাৰ কোটি টকা। কেন্দ্ৰীয় চৰকাৰে ৩০ হাজাৰ ৮৬২ কোটি টকা জি এছ টি সংগ্ৰহ কৰাৰ বিপৰীতে ৰাজ্যসমূহে সংগ্ৰহ কৰা জি এছ টিৰ পৰিমাণ হৈছে ৩৮ হাজাৰ ৪১১ কোটি টকা। আমদানি আৰু আন্তঃৰাজ্যিক বিক্ৰীৰ ক্ষেত্ৰত সংহত জি এছ টি সংগ্ৰহৰ পৰিমাণ ৯৩ হাজাৰ ৬২১ কোটি টকা হৈছে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। ঘৰুৱা লেনদেনৰ পৰা মুঠ জি এছ টি ৰাজহ ৯ দশমিক ২ শতাংশ বৃদ্ধি হৈ ১ লাখ ২৫ হাজাৰ কোটি টকা হৈছে। সেইদৰে সামগ্ৰীৰ আমদানিৰ পৰা সংগৃহীত ৰাজহ ১২ দশমিক ১ শতাংশ বৃদ্ধি হৈ ৪৯

হাজাৰ ৯৭৬ কোটি টকা হৈছে। চলিত বৰ্ষৰ আগষ্ট পৰ্যন্ত মুঠ জি এছ্ টি ৰাজহ্ বিগত বৰ্ষৰ তুলনাত ১০ দশমিক ২ শতাংশ বৃদ্ধিৰে ৮ লাখ ৭ হাজাৰ কোটি টকা হৈছে।

০০০০০০

**ভাৰতে বাংলাদেশৰ ৬জন ছাত্ৰ নেতাৰ ভিছাত নিষেধাজ্ঞা আৰোপ কৰা সন্দৰ্ভত প্ৰচাৰিত বাতৰি ভুৱা বুলি চৰকাৰে প্ৰকাশ কৰিছে। বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই জনোৱা মতে, ভাৰতে এনে কোনো নিষেধাজ্ঞা আৰোপ কৰা নাই। একাংশ সংবাদ মাধ্যমত বাংলাদেশৰ ছয়জন ছাত্ৰ নেতাৰ ওপৰত এনে নিষেধাজ্ঞা আৰোপ কৰা হৈছে বুলি বাতৰি সম্প্ৰচাৰিত হৈছিল।**

০০০০০০

বিজেপিৰ সদস্য ভৰ্তি অভিযান আজিৰ পৰা আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দলত তেওঁৰ সদস্য পদ নবীকৰণৰ বাবে আজি ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ পৰা প্ৰমাণ-পত্ৰ গ্ৰহণেৰে এই অভিযানৰ শুভাৰম্ভ কৰিব। দলটোৱে ইতিমধ্যে সকলো সদস্যৰে সদস্য পদ বাতিল কৰিছে। সেয়েহে পুৰণি সকলো সদস্যই তেওঁলোকৰ সদস্য পদ নবীকৰণ কৰাব লাগিব। দলটোৰ সংবিধান অনুসৰি প্ৰতি ৫ৰ পৰা ৬ বছৰত সদস্য ভৰ্তি অভিযান অনুষ্ঠিত হয়। আজিৰ পৰা অহা ১০ নৱেম্বৰলৈকে বিভিন্ন পৰ্যায়ত এই অভিযান চলোৱা হ'ব। সদস্য ভৰ্তি অভিযানৰ প্ৰথম পৰ্যায় অহা ২৫ ছেপ্তেম্বৰত সামৰণি পৰিব। জনসাধাৰণে মিছড কল অথবা দলৰ ৱেবছাইট আৰু অন্যান্য ডিজিটেল মঞ্চৰ জৰিয়তে নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব।

ইপিনে অসমত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাইলৈ দলৰ সদস্য পদ গ্ৰহণ কৰি সদস্য ভৰ্তি অভিযান আৰম্ভ কৰিব। বৰ্তমান অসমত বিজেপিৰ ৪০ লাখ সদস্যই পদ নৱীকৰণ কৰিব লাগিব। ৰাজ্যিক বিজেপিয়ে এইবাৰ অতিকমেও ৰাজ্যত ৬৫ৰ পৰা ৭০ লাখ সদস্য ভৰ্তি কৰাৰ লক্ষ্য স্থিৰ কৰিছে।

০০০০০০

কৰিমগঞ্জ আৰক্ষীয়ে কালি নিশা জিলাখনৰ অসম-ত্ৰিপুৰা ৰাষ্ট্ৰীয় ঘাইপথৰ জালালপুৰৰ কান্দিগ্ৰাম অঞ্চলত অভিযান চলাই এখন গাড়ীৰ পৰা এক লাখ য়াবা টেবলেট জব্দ কৰে। নিচাযুক্ত টেবলেটখিনি কঢ়িয়াই অনা ৩ জন লোককো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। উদ্ধাৰ কৰা য়াবা টেবলেটখিনিৰ বজাৰ মূল্য প্ৰায় ৩০ কোটি টকা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০০

মণিপুৰত কালি উগ্ৰপন্থীৰ আক্ৰমণত দুগৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে আন ৯ গৰাকী লোক আহত হয়। ৰাজ্যখনৰ পশ্চিম ইম্ফল জিলাত সংঘটিত এই ঘটনাত উগ্ৰপন্থীয়ে বন্দুক আৰু বোমাৰে আক্ৰমণ কৰিছিল। আৰক্ষীয়ে কয় যে, আক্ৰমণত নিহত দুগৰাকী লোকৰ এগৰাকী ৩১ বছৰীয়া মহিলা। আনহাতে আহতসকলৰ মাজত এগৰাকী নাবালিকাৰ লগতে দুগৰাকী আৰক্ষীৰ লোকো আছে। গৃহ বিভাগে কৈছে যে, চৰকাৰে ৰাজ্যখনত শান্তি স্থাপনৰ বাবে সকলো প্ৰচেষ্টা হাতত লৈছে।

০০০০০০

**পেৰিছ পেৰালিম্পিকৰ চতুৰ্থ দিনটোত ভাৰতীয় খেলুৱৈ নিশাদ কুমাৰে পুৰুষৰ হাই জাম্প T-47 শিতানত ৰূপৰ পদক লাভ কৰাৰ পাছত ভাৰতৰ মুঠ পদকৰ সংখ্যা সাতলৈ বৃদ্ধি পাইছে। ভাৰতে এই পৰ্যন্ত এটা সোণ, দুটা ৰূপ, আৰু চাৰিটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। কালি মহিলাৰ ২০০ মিটাৰ T35 শিতানত প্ৰীতি পালে তৃতীয় স্থান দখল কৰি দ্বিতীয়টো ব্ৰঞ্জৰ পদক লাভ কৰে। খেলখনত চীনৰ ঝৌ জিয়া আৰু গুও কিয়ানকিয়ানে**

সোণ আৰু ৰূপৰ পদক লাভ কৰে। মহিলাৰ বেডমিণ্টনত পেৰা শ্বাটলাৰ থুলাচিমাথি মুৰুগেছানে মনীছা ৰমাদাছক পৰাস্ত কৰি মহিলাৰ একক S-U-5 শিতানৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে আজি চীনৰ কিউ জিয়া ইয়াঙৰ মুখামুখি হব। আনহাতে ব্ৰঞ্জৰ পদকৰ বাবে হবলগীয়া প্ৰতিযোগীতাত ডেনমাৰ্কৰ কেথ্ৰিন ৰ'জেনগ্ৰেন, মনীছাৰ মুখামুখি হব। পুৰুষৰ একক S-L-3 ছেমিফাইনেলত ভাৰতীয় শ্বাটলাৰ নিতেশ কুমাৰে জাপানৰ দৈছুকে ফুজিহাৰাক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ফাইনেলত ভাৰতীয় খেলুৱৈগৰাকীয়ে ব্ৰিটেইনৰ বেথেল ডেনিয়েলৰ মুখামুখি হব। ইফালে সুকান্ত কদমক ২১-১৭, ২১-১২ ছেটত পৰাস্ত কৰি সুহাস যথিৰাজে S-L4 শিতানৰ ফাইনেলত প্ৰৱেশ কৰিছে। ফাইনেলত যথিৰাজে টকিঅ' পেৰালিম্পিকৰ স্বৰ্ণ পদক বিজয়ী লুকাছ মাজুৰৰ বিৰুদ্ধে আৰু ব্ৰঞ্জৰ পদকৰ বাবে সুকান্তে ইণ্ডোনেছিয়াৰ ফ্ৰেডী চেটিয়াৱানৰ বিৰুদ্ধে প্ৰতিযোগীতাত অৱতীৰ্ণ হব। টেবুল টেনিছত ভবিনাবেন পেটেলে মেক্সিক'ৰ মাৰ্থা ভাৰ্ডিনক পৰাস্ত কৰি W-S-4 শিতানৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

oooooo

এজাক মুষলধাৰ বৰষুণত গুৱাহাটী মহানগৰ আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত কালি কৃত্ৰিম বানৰ সৃষ্টি হোৱাৰ ফলত জনসাধাৰণৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। এই বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় প্ৰতিখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰাৰ লগতে **দৈনিক অসম** কাকতে মেঘালয়ত বৰষুণৰ পৰিমাণ কম যদিও আকৌ বানত বুৰিল স্মাৰ্ট চিটি গুৱাহাটী শিৰোনামেৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে এই বাতৰিক মহানগৰীত কৃত্ৰিম বানৰ ভয়ংকৰ ৰূপ ঃ বিপৰ্যস্ত জনজীৱন শিৰোনামেৰে প্ৰকাশ কৰিছে।

শিৱসাগৰত অক্টোবৰ মাহত এক লাখ খিলঞ্জীয়া লোকক লৈ গণসমাৱেশ অনুষ্ঠিত হ'ব। এই বাতৰিক **অসমীয়া প্ৰতিনিদন** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

দেওবাৰৰ পৰা ৰাজ্যত গাখীৰ আৰু ৰন্ধন গেছৰ ছিলিণ্ডাৰৰ দাম বৃদ্ধি পোৱাৰ বিপৰীতে বিলাতী সুৰাৰ মূল্য হ্ৰাস পালে। এই বাতৰিক **আমাৰ অসম** কাকতে গাখীৰৰ মূল্য তিনি টকা বৃদ্ধি, সুৰাৰ ৩০ শতাংশ হ্ৰাস শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ অত্যাধিক দাম বৃদ্ধি সম্পৰ্কীয় এটা বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে বিক্ৰী হ্ৰাস হৈছে চেম্প', চাবোন, নুডলছৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। খাদ্য বস্তুৰ দাম বৃদ্ধিৰ বাবে মানুহে অত্যাবশ্যকীয় সামগ্ৰী ক্ৰয়ৰহে অভ্যাস গঢ়ি তুলিছে বুলি বাতৰিটোত উল্লেখ কৰা হৈছে।

শীঘ্ৰে ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ এটা কাৰ্যালয় স্থাপন কৰা হ'ব। এতিয়াৰে পৰা মুখ্যমন্ত্ৰীজনে প্ৰতিমাহে কমেও ৪ দিন এই কাৰ্যালয়ত উপস্থিত থাকি উজনি আৰু উত্তৰ অসমৰ জনসাধাৰণৰ উন্নয়নৰ বাবে কাম কৰিব। এই বাতৰিটো **দৈনিক জনভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

জাপানত যোৱা ছমাহত অকলে বাস কৰা ৪০ হাজাৰ লোকৰ নিজৰ ঘৰৰ ভিতৰতে মৃত্যু হৈছে। ৰাষ্ট্ৰীয় পুলিচ এজেন্সিয়ে প্ৰকাশ কৰা অনুসৰি ইয়াৰে প্ৰায় চাৰি হাজাৰজন লোকৰ মৃতদেহ তেওঁলোকৰ মৃত্যুৰ এমাহৰ পাছত উদ্ধাৰ কৰা হৈছে। আনহাতে ১৩০ জন লোকৰ মৃতদেহ মৃত্যুৰ এবছৰ বা তাতকৈ অধিক সময়ৰ পাছত উদ্ধাৰ কৰা হৈছে। প্ৰায় ৩৭ হাজাৰ ২২৭ জন লোকক মৃত অৱস্থাত উদ্ধাৰ কৰা হৈছে। এই বাতৰিটো দৈনিক জনমভূমি কাকতে একাকীত্ব জাপানত ছমাহত ৪০ হাজাৰ বৃদ্ধৰ ঘৰৰ ভিতৰত মৃত্যু শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

২০২৪-২৫ বিত্তীয় বৰ্ষত ৰাষ্ট্ৰীয় পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে অসমৰ বাবে ৮ হাজাৰ ৫৫ কোটি টকাৰ অনুমোদন জনাইছে। এই বাতৰিটো দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দৌপদী মুৰ্মুৱে দেশত বৃদ্ধি পোৱা ধৰ্ষণৰ ঘটনা সন্দৰ্ভত ন্যায়ালয়ল ৰায়দান বিলম্বকলৈ উদ্বিগ্নতা প্ৰকাশ কৰিছে। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - অভিনেতা তৌফিক ৰহমানলৈ জীৱন জোৰা সাধনা বঁটা, মৰিগাঁৱত বজ্ৰপাতত এজনৰ মৃত্যু ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত